# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-07-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - - -***

ৰাজ্যত মুঠ ১ লাখ ১৯ হাজাৰ ৫৪৮ বিঘা ভূমি অবৈধ দখলৰপৰা মুক্ত কৰা হৈছে। ইয়াৰে ৮৪ হাজাৰ ৭৪৩ বিঘা বনাঞ্চলৰ, ৩ হাজাৰ ৬৪৩ বিঘা গাঁৱৰ চৰণীয়া পথাৰ আৰু সংৰক্ষিত চৰণীয়া পথাৰ, ৪ হাজাৰ ৪৪৯ বিঘা সত্ৰ-নামঘৰ-মন্দিৰৰ ভূমি আছে। তেওঁ কয় যে দখলমুক্ত কৰা ভূমি গুৱাহাটী মহানগৰীৰ আকাৰৰ সমান । উচ্ছেদ কৰা ভূমিৰ ভিতৰত শোণিতপুৰত সৰ্বাধিক ৩৯ হাজাৰ ৫২৭ বিঘাৰো অধিক, দৰঙত ১৭ হাজাৰ ৯০৫ বিঘা আৰু লখিমপুৰত ১৩ হাজাৰ ৪৮১ বিঘাৰো অধিক ভূমি আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। সংৰক্ষিত বনাঞ্চলৰ ভূমিৰপৰা দখলকাৰীক উচ্ছেদৰ ফলত ৰাজ্যখনলৈ নতুন পৰিৱেশ ঘূৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

তেওঁ কয় যে ব্যাপক অনুপ্ৰৱেশ আৰু জিলাসমূহৰ জনগাঁথনিৰ সলনিৰ অভিসন্ধিৰে পৰিকল্পিত দখলৰ ফলত অসমে অস্তিত্বৰ ভাবুকিৰ সন্মুখীন হৈছে। এই উচ্ছেদ অভিযানক ৰাজনৈতিক দৃষ্টিভংগীৰে গ্ৰহণ নকৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।লখিমপুৰত উচ্ছেদ অভিযানৰ সময়ত একাংশ ৰাজনৈতিক নেতাই বিষয়টোক অন্যৰূপ দিয়াৰ চেষ্টা চলোৱাৰ লগতে উদ্দেশ্যপ্ৰণোদিতভাৱে মূল বিষয়টোৰ পৰা আঁতৰি থাকিল বুলিও তেওঁ উল্লেখ কৰে।

ইপিনে ভূমি, বনাঞ্চল, জলাশয়, ধৰ্মীয় স্থান আদি দখলমুক্ত কৰাৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিজেপিয়ে মুখ্যমন্ত্ৰী ড০ শৰ্মাক ধন্যবাদ জ্ঞাপনৰ কাৰ্যসূচী লৈছে। গুৱাহাটীত খানাপাৰাত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতি দীলিপ শইকীয়াই অংশ লয়। একেদৰে উচ্ছেদৰ সমৰ্থনত ধুবুৰী জিলা বিজেপিয়ে চহৰখনত শোভাযাত্ৰা উলিয়ায়। কাছাৰ জিলা বিজেপিয়ে সমদল উলিয়াই আজি উচ্ছেদ অভিযানপ প্ৰতি সমৰ্থন ব্যক্ত কৰে। সমদলত সাংসদ কনাড পুৰকায়স্থ, পৰিমল শুক্লবৈদ্যৰ উপৰি দলৰ ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।

ooooo

মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ উন্নীত কৰা ৰাজ্যৰ সাতখন শিক্ষানুষ্ঠানত কালি উপাচাৰ্য নিযুক্তি দিয়া হয়। যোৰহাটৰ জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ত অধ্যাপক জ্যোতিপ্ৰসাদ শইকীয়াক, শিৱসাগৰ বিশ্ববিদ্যালয়ত অধ্যাপক মহাদেৱ পাটগিৰিক, নগাঁও বিশ্ববিদ্যালয়ত অধ্যাপক হিতেশ ডেকাক, উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ত অধ্যাপক মুকুল বৰাক, বঙাইগাঁও বিশ্ববিদ্যালয়ত অধ্যাপক তাৰিণী চন্দ্ৰ ডেকাক, শিলচৰৰ গুৰুচৰণ বিশ্ববিদ্যালয়ত অধ্যাপক নিৰঞ্জন ৰয়ক আৰু কোকৰাঝাৰ বিশ্ববিদ্যালয়ত অধ্যাপক গণেশ চন্দ্ৰ ৱাৰিক উপাচাৰ্য পদত নিযুক্তি দিয়া হৈছে। এই উপাচাৰ্য নিযুক্তিৰ পাছতেই কেউখন বিশ্ববিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়াসহ অন্যান্য বিদ্যায়তনিক কাম-কাজ আৰম্ভ কৰিব পৰা যাব। উল্লেখযোগ্য যে ২০২৩ চনত অসম চৰকাৰে ৭ খন নতুন বিশ্ববিদ্যালয় আইন গৃহীত কৰিছিল যদিও শিৱসাগৰ বিশ্ববিদ্যালয়ত এগৰাকী ভাৰপ্ৰাপ্ত উপাচাৰ্যক দায়িত্ব দিয়াৰ

বাহিৰে আন বিশ্ববিদ্যালয় কেইখনত উপাচাৰ্য নিযুক্তি নিদিয়াত বিদ্যায়তনিক কাম-কাজ আৰম্ভ কৰিব পৰা হোৱা নাছিল।

০০০০০

নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ কাৰ্যকলাপ ৰোধৰ বাবে চৰাইদেউ জিলাত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অসম-নাগালেণ্ড-অৰুণাচল প্ৰদেশৰ সীমান্তত অৱস্থিত জিলাখনত দিনে-নিশাই নিৰাপত্তা বাহিনীৰ তহল বৃদ্ধি কৰা হৈছে। ইয়াৰোপৰি নাগালেণ্ড আৰু অৰুণাচলৰ পৰা চৰাইদেউ জিলাত প্ৰৱেশ কৰা স্পৰ্শকাতৰ পথসমূহত বিশেষ তালাচী চকী স্থাপন কৰি এই পথসমূহেৰে অহা-যোৱা কৰা বাহনৰ তালাচী চলোৱা হৈছে। সমাগত স্বাধীনতা দিৱসৰ পূৰ্বে এই পথসমূহেৰে যাতে আলফা স্বাধীনৰ সদস্যই জিলাখনত প্ৰৱেশ কৰি কোনোধৰণৰ কূটাঘাতমূলক কাৰ্যকলাপ সংঘটিত কৰিব নোৱাৰে তাৰ বাবে বিশেষ তৎপৰতা গ্ৰহণ কৰা হৈছে। অসম আৰক্ষীৰ মহাপৰিদৰ্শক সত্যৰাজ হাজৰিকাই চৰাইদেউ জিলাৰ সদৰ সোণাৰিত আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেচৰ আৰু অন্যান্য শীৰ্ষ বিষয়াসকলৰ সৈতে নিৰাপত্তা সন্দৰ্ভত আলোচনাত মিলিত হয়।

০০০০০

ৰাজ্যৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাত বন অধিকাৰ আইনৰ অধীনত জনজাতীয় আৰু পৰম্পৰাগতভাৱে বনাঞ্চলত বাস কৰি অহা লোকসকলক ভূমি পট্টা বিতৰণৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ধেমাজি জিলাৰ বৰদলনি উন্নয়ন খণ্ডৰ অধীনৰ মিংমাং গাঁও পঞ্চায়তৰ কৃষ্টি ভৱনত জিলা প্ৰশাসনে আয়োজন কৰা প্ৰধানমন্ত্ৰী ধৰতী আবা জন অংশীদাৰী অভিযানৰ সামৰণি কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী ডাঃ পেগুৱে ভূমি পট্টা বিতৰণ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ বিভিন্ন সংৰক্ষিত বনাঞ্চলত বন অধিকাৰ আইনৰ অধীনত প্ৰায় ৮ হাজাৰ আবেদনৰ প্ৰক্ৰিয়া চলি আছে বুলি জানিবলৈ দি চৰকাৰে সোনকালেই সকলোকে ভূমি পট্টা প্ৰদান কৰিব বুলি আশ্বাস দিয়ে।

০০০০০

শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনে আজি ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত টিংখাঙত অৱস্থিত অসম ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান পৰিদৰ্শন কৰি প্ৰতিষ্ঠানটোৰ বিভিন্ন দিশৰ বুজ লয়। এই উদ্যোগ শিক্ষা প্ৰতিষ্ঠানৰ জৰিয়তে নিয়োগৰ হাৰ বৃদ্ধি হোৱাৰ লগতে নৱপ্ৰজন্মৰ মাজত উদ্যমিতা মনোভাৱৰ সৃষ্টি কৰাত সহায়ক হ'ব বুলি পৰিদৰ্শনকালত মন্ত্ৰী ফুকনে মন্তব্য কৰে। পৰিদৰ্শনকালত মন্ত্ৰীগৰাকীয়ে প্ৰতিষ্ঠানৰ কৰ্তৃপক্ষৰ লগতে স্থানীয় লোকৰ সৈতেও মত বিনিময় কৰে।

০০০০০

শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়ুক্তগৰাকীৰ অধ্যক্ষতাত মুখ্যমন্ত্ৰীৰ **এটি কলি দুটি পাত** আঁচনি ৰূপায়ণ সন্দৰ্ভত আজি এখন বৈঠক অনুষ্ঠিত হয়। চাহ বাগিচাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ লগতে কৰ্মচাৰীসকলক এককালীন আৰ্থিক সাহায্য প্ৰদানৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী **এটি কলি দুটি পাত** শীৰ্ষক আঁচনিখন আৰম্ভ কৰা হৈছে। বৈঠকত জিলাখনৰ দহখন চাহ বাগিচা কৰ্তৃপক্ষই অংশগ্ৰহণ কৰে। বৈঠকত আঁচনিখন ৰূপায়ণৰ ক্ষেত্ৰত চাহ বাগিচাৰ কৰ্মীসকলৰ কাৰ্যালয়ত নথিভুক্ত মজুৰিৰ তালিকা আৰু আধাৰকাৰ্ডৰ ক্ষেত্ৰত দেখা দিয়া অসুবিধাসমূহ দূৰীকৰণৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। এই সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে আধাৰকাৰ্ডত সন্নিবিষ্ট তথ্যকে ভিত্তি হিচাপে গ্ৰহণ কৰি তালিকাসমূহৰ শুদ্ধৰণি কৰিবলৈ চাহ

বাগিচাৰ কৰ্তৃপক্ষক পৰামৰ্শ দিয়ে। লগতে ১৭ জুলাইৰ ভিতৰত সংশোধিত তালিকাসমূহ জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰাৰ নিৰ্দেশ দিয়ে।

ooooo

শিৱসাগৰৰ ভটিয়াপাৰ বাৰীচুকত থকা অ' এন জি চিৰ ৰীগত গেছ নিৰ্গমনৰ ফলত গুৰুতৰভাৱে অসুস্থ হৈ চিকিৎসাধীন হৈ থকা কোযেশ্বৰ দাস নামৰ এগৰাকী ব্যক্তিৰ কালি মৃত্যু হয়। প্ৰয়াত দাস যোৱা ২১ জুনৰে পৰা ডিব্ৰুগড়ৰ এখন ব্যক্তিগত নাৰ্চিংহোমত চিকিৎসাধীন হৈ আছিল।

ooooo

সমাপ্ত